**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
**-----------------------**

১। মেক ইন ইণ্ডিয়াৰ জৰিয়তে ভাৰত নিৰ্মাণখণ্ডৰ এটা শক্তিকেন্দ্ৰত পৰিণত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। মাতৃভাষাৰ ব্যৱহাৰ আৰু ২০ হাজাৰৰো অধিক ভাৰতীয় ভাষাৰ সংৰক্ষণৰ ওপৰত মন কী বাতৰ ১১৪ সংখ্যক সম্প্ৰচাৰত প্ৰধানমন্ত্ৰীৰ গুৰুত্ব আৰোপ।

৩। অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনত স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে চালক পদৰ পৰীক্ষা শান্তিপূৰ্ণভাৱে সম্পন্ন।

৪। অসম সন্তান ৰিয়ান পৰাগৰ ভাৰত-বাংলাদেশৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলা স্থান লাভ। ***আৰু***

৫। টি টুৱেণ্টি মহিলা বিশ্বকাপৰ অনুশীলন এখন খেলত ভাৰত- ৱেষ্ট ইণ্ডিজ মুখামুখি।

০০০০

মেক ইন ইণ্ডিয়াৰ জৰিয়তে ভাৰত নিৰ্মাণখণ্ডত এটা শক্তিকেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাতৰ ১১৪ সংখ্যক খণ্ডত মন্তব্য কৰে। ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ মেক ইন ইণ্ডিয়াৰ জৰিয়তে লাভান্বিত হৈছে বুলি প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, ইয়াৰ ফলত সমাজৰ সকলো শ্ৰেণীৰ লোকে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰাৰো সুযোগ লাভ কৰিছে।

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনৰ তৃতীয়টো কাৰ্যকালৰ চতুৰ্থটো মন কী বাতত মেক ইন ইণ্ডিয়া অভিযানে দেশৰ ৰপ্তানি বাণিজ্য বৃদ্ধি কৰাৰ লগতে প্ৰত্যক্ষ বিদেশী বিনিয়োগকো আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। চৰকাৰে উৎপাদনৰ গুণগত মান উন্নত কৰাৰ লগতে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে ভোকেল ফৰ লোকেল নীতিতো গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। মেক ইন ইণ্ডিয়াৰ সফলতাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

বাইট

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে অনাগত উৎসৱৰ বতৰত জনসাধাৰণক স্থানীয়ভাৱে তৈয়াৰী সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনায়। চাকৰি তথা কৰ্মসংস্থাপনৰ পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি তেওঁ কয় যে, নতুনকৈ উন্মোচিত সেৱা আৰু উৎপাদন খণ্ডসমূহৰ প্ৰয়োজন অনুসৰিও চাকৰিৰ প্ৰকাৰ সলনি হৈছে। ভাৰতত উদ্ভাৱিত সামগ্ৰী তথা ধাৰণাৰ আধাৰত সৃজনীশীলতা বিকাশৰ লক্ষ্যৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২৫ টা প্ৰত্যাহ্বানমূলক কাম আৰম্ভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে সৃষ্টিশীল লোকসকলক ইয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্বচ্ছ ভাৰত অভিযানৰ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ২ অক্টোবৰত এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হ'ব। তেওঁ কয় যে, বৰ্তমান দেশবাসী আৱৰ্জনা হ্ৰাস, পুনৰ ব্যৱহাৰ আৰু নৱীকৰণৰ বিষয়ে নিজে সচেতন হোৱাৰ লগতে বিশ্বতো এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিছে। এই অভিযানৰ ধাৰাবাহিকতা ৰক্ষা কৰি স্বচ্ছ ভাৰত মিছনক এটা গণ আন্দোলনলৈ ৰূপান্তৰ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আহ্বান জনায়। স্বচ্ছতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰি যোৱা মহাত্মা গান্ধীলৈ তেওঁ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে মাৰ নামত এজুপি গছ অৰ্থাৎ এক পেৰ মা কে নাম অভিযানত অংশ গ্ৰহণ কৰিবলৈ সকলোকে উৎসাহিত কৰে। এই গছপুলি ৰোপণ কাৰ্যসূচীত সমগ্ৰ দেশৰ কেইবাহাজাৰ বিদ্যালয়ৰ সক্ৰিয়ভাৱে অংশগ্ৰহণক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। পানী সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বৰষুণৰ বতৰত সংগ্ৰহ কৰা পানীয়ে খৰাঙৰ সময়ত দেশবাসীক প্ৰভূত পৰিমাণে সহায় কৰে।

বিকাশ ভি, বিৰাছট ভি মন্ত্ৰৰ উল্লেখেৰে প্ৰধানমন্ত্ৰীয়ে ভাৰত চৰকাৰে শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ঘুৰাই অনা বুলি ব্যৱস্থা কৰা প্ৰায় ৩০০ টা প্ৰাচীন কলা সামগ্ৰীৰ বিষয়ে উল্লেখ কৰে।

এইসমূহৰ ভিতৰত পোৰামাটি, পাথৰ, হাতীদাঁত, কাঠ, তাম আৰু ব্ৰঞ্জেৰে নিৰ্মিত কলা সামগ্ৰী আছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

মাতৃভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, আমাৰ দেশত ২০ হাজাৰ ভাষা আৰু উপভাষা আছে। তেওঁ বিভিন্ন ভাষা, বিশেষকৈ চাওতালী ভাষা সংৰক্ষণৰ বাবে লোৱা প্ৰচেষ্টাসমূহৰ উচ্চ প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ ১০ বছৰ পূৰ্তিৰ প্ৰাকক্ষণত আকাশবাণী, দূৰদৰ্শন আৰু প্ৰসাৰ ভাৰতীৰ সৈতে জড়িত সকলোৰে প্ৰশংসা কৰি কয় যে, তেওঁলোকৰ অক্লান্ত পৰিশ্ৰমৰ বাবে মন কী বাতে দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শ্ৰোতাক সামৰি লববলৈ সমৰ্থ হৈছে। সমাগত উৎসৱসমূহৰ বাবে তেওঁ দেশবাসীক শুভেচ্ছা জনায়।

oooooo

ৰাজ্যৰ কেইবাখনো জিলাত আজি স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন কৰে।

উল্লেখযোগ্য যে আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হয়। আনহাতে দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হয়। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলক প্ৰশ্নকাকতখন নিজৰ লগত আনিবলৈ দিয়া হৈছে।

আজি কৰিমগঞ্জ জিলাতো এই পৰীক্ষা নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। জিলাখনত ৯ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে এই পৰীক্ষাৰ বাবে অৱতীৰ্ণ হৈছিল।

oooooo

বিশেষভাৱে সক্ষম লোকসকলৰ সহায় হোৱাকৈ ভাৰতীয় সাংকেতিক ভাষাৰ শব্দকোষত গণিত, বিজ্ঞান আৰু অন্যান্য শৈক্ষিক ক্ষেত্ৰসমূহৰ বিভিন্ন বিষয়বস্তু সামৰি প্ৰায় ২ হেজাৰ ৫শ নতুন শব্দ সংযোজন কৰা হৈছে। প্ৰতিবন্ধী ব্যক্তি সৱলীকৰণ বিভাগৰ অধীনস্থ ভাৰতীয় সাংকেতিক ভাষা গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰই ৪ টা অন্যান্য সহযোগী সংস্থাৰ সহায় লৈ এই নতুন শব্দৰাজি সাংকেতিক শব্দকোষত সংযোজন কৰিছে। ২০১৮ চনত আন্তৰ্ৰাষ্ট্ৰীয় বধিৰ সপ্তাহৰ অংশস্বৰূপে উন্মোচনৰ পাছৰ পৰাই সাংকেতিক ভাষাৰ এই শব্দকোষে মুকবধিৰ আৰু অন্যান্য শ্ৰৱনেন্দ্ৰীয়ৰ ক্ষেত্ৰত সীমাবদ্ধতা থকা শিক্ষাৰ্থীসকলৰ সুবিধা হোৱাকৈ কাম কৰি আহিছে। উল্লেখযোগ্য যে বিশ্বজুৰি ৭ কোটিতকৈ অধিক মুকবধিৰ লোক আছে আৰু ইয়াৰে ৮০ শতাংশতকৈ অধিক লোকে উন্নয়নশীল দেশসমূহত বাস কৰে। ভাৰতৰ দৰে উন্নয়নশীল দেশত ৩০০ ৰো অধিক সাংকেতিক ভাষাৰ ব্যৱহাৰ হয়। উল্লেখযোগ্য যে সাংকেতিক ভাষা শব্দকোষ ষষ্ঠ স্তৰৰ শ্ৰৱণ ক্ষমতাহীন শিশুসকলক উদ্দেশ্যি প্ৰস্তুত কৰি উলিওৱা হৈছে। এই শব্দকোষৰ সৈতে সন্নিবিষ্ট ধাৰণাত্মক দৃশ্য-শ্ৰব্য সঁজুলিসমূহে গণিত আৰু বিজ্ঞানৰ দৰে বিষয়সমূহৰ বাখ্যা প্ৰদান কৰাৰ লগতে নীতি শিক্ষামূলক পাঠো প্ৰদান কৰে। এইসমূহৰ লগত ১০ টা আঞ্চলিক ভাষাও সন্নিবিষ্ট কৰা হৈছে।

ooooooo

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮গৰাকী উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কাইলৈ আৰম্ভ কৰা হ'ব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ হ'বলগীয়া বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থকাৰ কথা। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগিকীকৰণৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক স্বাৱলম্বী হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।

ooooooo

সমগ্ৰ ৰাজ্যজুৰি শাৰদীয় দুৰ্গা পূজাৰ বাবে প্ৰস্তুতি আৰম্ভ হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ নিৰ্মাণৰ বাবে প্ৰস্তুতি চলিছে। প্ৰতি বছৰৰ দৰে এইবাৰো অসম চৰকাৰে দুৰ্গা পূজা সমিতিসমূহলৈ বিত্তীযয় সাহায্য প্ৰদানৰ বিষয়ে ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি এই বিত্তীয় সাহায্যৰ বাবে পূজা সমিতিসমূহক সংশ্লিষ্ট জিলা আয়ুক্তৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে পূজা আৰু বিহুৰ লগতে ভাওনা আয়োজনৰ ক্ষেত্ৰতো চৰকাৰে বিত্তীয় সাহায্য আগবঢ়াব। অসম চৰকাৰে ৰাজ্যখনৰ প্ৰতিটো উৎসৱ পাৰ্বন নিয়াৰিকৈ উদযাপনৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে এই পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে।

০০০০০০০

আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰচাৰ ভাৰতী, আকাশবাণী আৰু দূৰদৰ্শনক কৰা প্ৰশংসাৰ বাবে প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত চেহগালে কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীচেহগালে প্ৰধানমন্ত্ৰী এই প্ৰশংসা প্ৰচাৰ ভাৰতী, দূৰদৰ্শন আৰু আকশবাণীৰ সকলো সদস্যৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধতাৰ যাত্ৰাত সহযাত্ৰী হ'বলৈ পাই তেওঁলোক গৰ্বিত বুলি শ্ৰীচেহগালে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীৰ এই বাৰ্তাই সমগ্ৰ প্ৰচাৰ ভাৰতীৰ পৰিয়ালক নতুন শক্তি আৰু উদ্যমেৰে কাম কৰিবলৈ প্ৰেৰণা যোগাব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজি স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন কৰে।

উল্লেখযোগ্য যে আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হয়। আনহাতে দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হয়। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলক প্ৰশ্নকাকতখন নিজৰ লগত আনিবলৈ দিয়া হৈছে।

আজি কৰিমগঞ্জ জিলাতো এই পৰীক্ষা নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। জিলাখনত ৯ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে এই পৰীক্ষাৰ বাবে অৱতীৰ্ণ হৈছিল।

০০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮গৰাকী উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কাইলৈ আৰম্ভ কৰা হ'ব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ হ'বলগীয়া বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থকাৰ কথা। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগিকীকৰণৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক স্বাৱলম্বী হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০০

মৰিগাঁও জিলাৰ মায়ঙত আজি পবিতৰা অভয়াৰণ্যৰ পৰা ওলাই অহা এটা গঁড়ৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। অঞ্চলটোৰ হাদুক দলঙৰ সমীপত সংঘটিত এই ঘটনাত মৃত্যু হোৱা লোকজন ৩৫ বছৰীয়া ছাদ্দাম হুছেইন বুলি চিনাক্ত কৰা হৈছে। লোকজনে ডিমৰীয়াৰ কচুতলিৰ পৰা উচ্ছেদ হোৱা নিজৰ বাসগৃহ সা-সামগ্ৰী কঢ়িয়াই নিয়া বাহনখনৰ পিছে পিছে মটৰ চাইকেলেৰে মায়ঙৰ গছবাৰী চৰলৈ গৈ থকা অৱস্থাতে গঁড়টো আক্ৰমণ কৰে। ফলত লোকজন থিতাতে নিহত হয়।

০০০০০০০

যোড়শ বিত্তীয় আয়োগৰ দলৰ চাৰিদিনীয়া সূচীৰে অসম ভ্ৰমণ, নিৰ্মীয়মান যোৰহাট মাজুলী দলঙৰ কাম পুনৰ আৰম্ভ কৰাৰ বাবে আনুৰোধ জনাই মুখ্যমন্ত্ৰী কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ, বিশ্ব পৰ্যটন দিৱস পালন আৰু কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ ৯-দিনীয়া বিদেশ ভ্ৰমণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

চাৰিদিনীয়া ভ্ৰমণসূচীৰে ২৫ ছেপ্তেম্বৰত গুৱাহাটীত উপস্থিত হোৱা যোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষৰ নেতৃত্বত দলটোৱে ২৬ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰীসকলক তথা কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। দলটোৱে লগতে বিভিন্ন ৰাজনৈতিক দল, স্থানীয় সংস্থা, পৰিষদ আৰু উদ্যোগৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰে। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে দেশৰ প্ৰতিখন ৰাজ্যৰ বাবে কৰ বিভাজন আৰু দৰিদ্ৰতা দূৰীকৰণৰ বাবে বহুমুখী আৱণ্টনৰ লক্ষ্যৰে শ্ৰেণী বিভাজন কৰাৰ পৰামৰ্শ দিয়াৰ কথা বিত্ত আয়োগৰ অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰিয়াই উল্লেখ কৰে। বৈঠকৰ পাছত সংবাদমাধ্যমক সম্বোধন কৰি অধ্যক্ষগৰাকীয়ে কয় যে, চুবুৰীয়া ৰাজ্যসমূহক পেট্ৰ'লিয়ামজাত সামগ্ৰীকে ধৰি আবকাৰী কৰৰ হাৰ পোৱাৰ বাবে কৰ বিভাজনৰ ক্ষেত্ৰত অসমৰ অংশ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। অধ্যক্ষগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীয়ে দৰিদ্ৰতা দূৰীকৰণৰ লক্ষ্যৰে বহুমাত্ৰিক আৱণ্টনৰ বাবে শ্ৰেণী বিভাজনৰ পৰামৰ্শ আগবঢ়োৱাৰ উপৰি ৰাজ্যসমূহৰ সম্পদৰ পুলৰ পৰা ৫ শতাংশ আৱণ্টন বিচাৰিছে বুলিও জানিবলৈ দিয়ে।

নিৰ্মিয়মান যোৰহাট-মাজুলী দলঙৰ কাম যোৱা প্ৰায় ২০ দিন ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বেগ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা শুকুৰবাৰে কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰীলৈ পত্ৰ লিখি দলঙৰ কাম পুনৰ আৰম্ভ কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই দলঙৰ নিৰ্মাণৰ কাম ২০২৫ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব পৰাকৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ তাৎক্ষণিক হস্তক্ষেপ বিচৰা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, বিৰোধী দলৰ সাংসদ গৌৰৱ গগৈয়েও যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে।

যোৱা শুকুৰবাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰ্যটন দিৱস পালনৰ বাতৰিয়ে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে। পৰ্যটন মন্ত্ৰালয়ে গ্ৰাম্য পৰ্যটনৰ প্ৰসাৰৰ উদ্দেশ্যে অনুষ্ঠিত কৰা শ্ৰেষ্ঠ পৰ্যটন গাঁও প্ৰতিযোগিতা ২০২৪ত অসমৰ শুৱালকুছিয়ে শিল্প শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত দেশৰ মুঠ ৭৯৫খন গাঁৱে অংশগ্ৰহণ কৰাৰ বিপৰীতে এইবাৰ মুঠ অংশগ্ৰহণকাৰী গাঁৱৰ সংখ্যা ৯৯১ খনলৈ বৃদ্ধি পায়। উত্তৰ-পূৰ্বাঞ্চলৰ ৫খন ৰাজ্যকে ধৰি মুঠ ৩০ খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই গাঁওসমূহৰ ৩৬ খনে বিভিন্ন শিতানত শ্ৰেষ্ঠ বিবেচিত হয়। শুৱালকুছিৰ লগতে মেঘালয়ৰ মাফলং আৰু মণিপুৰৰ এন্দ্ৰো নামৰ গাঁও দুখনে ঐতিহ্য শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰাৰ বিপৰীতে ত্ৰিপুৰাৰ আনপনা গ্ৰাম আৰু মিজোৰামৰ ছিয়ালচুক নামৰ গাঁও দুখনে সমূহীয়া ভিত্তিক পৰ্যটনৰ শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰে। আনহাতে মেঘালয়ৰ ওমডেন গাঁৱে শিল্প শিতানত স্থান লাভ কৰিবলৈ সক্ষম হয়।

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৯ দিনীয়া বিদেশ ভ্ৰমণ কাৰ্যসূচীৰ সময়ত ড° ক্লাউডিয়া শ্বেইনবামৰ মেক্সিকোৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যেৰে কালি দিল্লীৰ পৰা শ্ৰী মাৰ্ঘেৰিটাই মেক্সিকো অভিমুখে ৰাওনা হয়। ইয়াৰ উপৰি এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে মেক্সিকো, গ্ৰেণাডা, বাৰ্বাডোছ আৰু এণ্টিগুয়া তথা বাৰ্বুডালৈ আনুষ্ঠানিকভাৱে ভ্ৰমণ কৰিব। ৫ খন দেশলৈ শ্ৰী মাৰ্ঘেৰিটাৰ এই তাৎপৰ্যপূৰ্ণ ভ্ৰমণকালত ৰাজনৈতিক, ব্যৱসায়িক তথা শৈক্ষিক বিষয়ত ভাৰতীয় মূলৰ নাগৰিকসকলৰ সৈতে বাৰ্তালাপ কৰা হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা প্ৰেছ বিজ্ঞপ্তিযোগে অৱগত কৰে।

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে ২৫ ছেপ্তেম্বৰত প্ৰথমলানি আলোচনাত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশগৰাকীৰ নেতৃত্বৰ সমিতিয়ে দিয়া পৰামৰ্শৱলী গ্ৰহণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। এই প্ৰতিবেদনত ৪০ টা পৰামৰ্শ ৰাজ্য চৰকাৰৰ অধীনত আছে আৰু ইয়াৰ ৰূপায়ণৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে, ১২ টা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ

প্ৰচেষ্টাৰে ৰূপায়ণ কৰা হ'ব। বাকী থকা ১৫ টা সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থাকিব বুলি তেঁও উল্লেখ কৰে।

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই ২৫ ছেপ্তেম্বৰত বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলালৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদাম ক্ষেত্ৰত আহোম স্বৰ্গদেউসকল তথা উপৰি পুৰুষসকলক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পূৰ্বে ঐতিহাসিক মৈদাম ক্ষেত্ৰত উপস্থিত হোৱা মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় পুৰাতত্ব আৰু প্ৰত্নতত্ব সঞ্চালকালয়ৰ ফালৰ পৰা আদৰণি জনোৱা হয়।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিত চমু অৱলোকন।

০০০০০০

পাঠশালাত অনুষ্ঠিত সদৌ অসম উকিল সন্থাৰ অষ্টাদশ দ্বিবাৰ্ষিক অধিবেশনৰ মুকলি সভাত অংশগ্ৰহণ কৰি আইন আৰু ন্যায় বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অধিবক্তাসকলে জনসাধাৰণক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত পালন কৰি অহা সক্ৰিয় ভূমিকাৰ শলাগ লয়। ১৯৮২ চনত প্ৰতিষ্ঠা হোৱা সদৌ অসম উকিল সন্থাৰ সদস্যসকলে অসমৰ বিভিন্ন জটিল সন্ধিক্ষণত ঐক্যবদ্ধভাৱে সংকটৰ বিৰুদ্ধে থিয় দি আহিছে বুলি শ্ৰীদাসে ভাষণ প্ৰসংগত উল্লেখ কৰে। ইয়াৰ লগতে অনাগত দিনত অধিবক্তাসকলে ৰাজ্যৰ বিকাশ আৰু উন্নতিত একেধৰণে সহায় আগবঢ়াই যাব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ৰাজ্যখনত বিচাৰাধীন হৈ থকা বুজন সংখ্যক গোচৰৰ বিষয়ে উল্লেখ কৰি তেওঁ এইসমূহৰ ক্ষীপ্ৰ নিস্পত্তিকৰণৰ ক্ষেত্ৰতো  অধিবক্তাসকলৰ সহায়-সহযোগিতা কামনা কৰে। সদৌ অসম উকিল সন্থাৰ সভাপতি ডেভিদ লেজাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিশিষ্ট অধিবক্তা বিৰাজ কুমাৰ চৌধুৰী, বিজন মহাজন, দীপক কুমাৰ দাসকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

৬ অক্টোবৰৰ পৰা আৰম্ভ হবলগীয়া ভাৰত বাংলাদেশৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। সুৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন দলটোত অসম সন্তান ৰিয়ান পৰাগেও স্থান লাভ কৰিছে। হাৰ্দিক পাণ্ডিয়া, ৰিংকু সিং, শিৱম ডুবে, ৰবি বিষ্ণয়েও দলত স্থান লাভ কৰাৰ লগতে দুগৰাকী উইকেট কীপাৰ সঞ্জু চেমচন আৰু জীতেশ শৰ্মাকো দলটোত অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে শৃংখলাটোৰ প্ৰথমখন খেল গোৱালিয়ৰত, দ্বিতীয়খন নতুন দিল্লীত আৰু তৃতীয় তথা অন্তিমখন খেল হায়দৰাবাদত অনুষ্ঠিত হব।

ইফালে, ভাৰত আৰু বাংলাদেশৰ মাজত টেষ্ট শৃংখলাটোৰ দ্বিতীয়খন খেলৰ তৃতীয় দিনাৰ খেলো বৰষুণৰ পাছত খেলপথাৰ নুশুকোৱাত অনুষ্ঠিত কৰিব পৰা নাই। উল্লেখযোগ্য যে দ্বিতীয় দিনাৰ খেলো বৰ্ষাবিঘ্নিত হৈছিল। প্ৰথম দিনৰ অন্তত বাংলাদেশে ৩ টা উইকেট হেৰুৱাই ১০৭ ৰাণ কৰিবলৈ সমৰ্থ হৈছিল। শৃংখলাটোৰ দ্বিতীয়খন খেল প্ৰথম দিনাও বৰষুণৰ কাৰণে দেৰিকৈ আৰম্ভ হৈছিল।

আনহাতে, ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে আজি টি টুৱেণ্টি বিশ্বকাপৰ এখন অনুশীলন খেলত ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত